# বালিঘৰ

তুলিকা বড়ো
উঃ মাঃ প্ৰথম বাৰ্ষিক

প্ৰত্যুষতে সংঘটিত হৈছিল সেই ভয়াবহ দুৰ্ঘটনাটো। চাৰি আলিৰ চকটোতে আঘোণী নামৰ পাগলীজনীক গাড়ীয়ে চেপিলে। তাইৰ মৃত্যু হ'ল। এজনী পাগলীৰ জীৱনৰ অৱসান ঘটিল। তাইৰ মৃত্যুত দুখ কৰিবলৈ, চকুপানী টুকিবলৈ তাইৰ আজি ইহসংসাৰত কোনো নাই। তাই অকলশৰীয়া। সেয়ে তাইৰ মৃত্যু আছিল এক সাধাৰণ ঘটনা। তাইৰ দৰে কিমানজনী আঘোণীৰ প্ৰতিদিনে মৃত্যু হয় তাৰ জানো হিচাপ আছে? পাগলী হ'লেও আঘোণীও এজনী তেজ-মঙহেৰে গঢ়া মানৱীয়ে আছিল। কিন্তু তাই এদিন পাগলী হৈছিল ·····।

গাঁওখনৰ ভিতৰত আটাইতকৈ ভাল ছোৱালী বুলি পৰিচিত আঘোণীৰ এদিন বিয়া হৈ গৈছিল ওচৰৰ গাঁৱৰে চফল ডেকা মহেশৰ লগত। মহেশো গাঁওখনৰ এজন সৎ, উদ্যোগী আৰু সাহসী ডেকা। বিয়াৰ এবছৰ পিছত সিহঁতৰ দাম্পত্য জীৱনৰ স্বাক্ষৰ স্বৰূপে পোনাকণৰ আগমন হৈছিল। পোনাকণৰ জন্মৰ কিছুদিনৰ পিছতে এক আকস্মিক দুৰ্ঘটনাত মহেশৰ মৃত্যু হ'ল। মহেশৰ অকাল বিয়োগত আঘোণীৰ জীৱনলৈ নামি আহিল গভীৰ অমানিশাৰ অন্ধকাৰ। দিন দুপৰতে তাইৰ বাবে নামি আহিল কাল সন্ধিয়াৰ ঘোপমৰা অন্ধকাৰ। চকুৰ পানীয়ে তাইৰ অনাগত ভৱিষ্যতৰ গতি পথ আগচি ধৰিলে। মহেশৰ মৃত্যুৰ বাবে একমাত্ৰ আঘোণীয়েই দায়ী বুলি আৰু তাই থাকিলে গাঁৱৰ আৰু অমঙ্গল ঘটিব বুলি গাঁৱৰ ৰাইজে এদিন তাইক গাঁৱৰ পৰা খেদি দিলে। তাই দিশহাৰা হ'ল। চাকনৈয়াৰ কুটিল চক্ৰত পৰি তাইৰ সন্মুখৰ পৃথিৱীখনো চক্ৰাকাৰে ঘূৰিবলৈ ধৰা যেন অনুমান হ'ল। অকণমানি কেচুৱাটি পিঠিত বান্ধি লৈ জীয়াই থকাৰ আশাত তাই ওলাই আহিল ৰাজপথলৈ আশ্ৰয়ৰ অন্বেষণত। শুকান বালিময় মৰুভূমিত এটুপি পানী পোৱাৰ দৰে ৰজনী মাষ্টাৰৰ ওচৰত আশ্ৰয়ৰ বাবে তাই এটুকুৰা ঠাই পালে আৰু তাৰে পৰাই আৰম্ভ হ'ল তাইৰ যুঁজৰ নতুন সংগ্ৰাম। ইঘৰ-সিঘৰত কাম কৰি পোৱা উপাৰ্জনেৰে দুবেলা দুমঠি খাই তাই জীৱনৰ বাট বুলিবলৈ আৰম্ভ কৰিলে। লাহে লাহে পোনাকণো ডাঙৰ হৈ আহিল। এদিন সি প্ৰাইমাৰী স্কুল পাৰ হৈ হাইস্কুলত ভৰি দিলে। আঘোণীৰ চকুত হেজাৰ স্বপ্ন—পোনাকণ পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব। চৰকাৰী চাকৰি কৰিব আৰু তাইৰ দুখৰ ৰজনীৰ অৱসান ঘটিব। সঁচাকৈয়ে সি এদিন সুখ্যাতিৰে প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত

পৰীক্ষাত উত্তীৰ্ণ হ'ল। পোনাকণৰ ওপৰত গাঁৱৰ সকলোৰে দৃষ্টি পৰিল আৰু তাৰ কৃতকাৰ্যতাৰ বাবে বহুতেই তাক শুভেচ্ছা আৰু আশীৰ্বাদ যাচিলে। আনৰ লগতে ধনীৰাম মহাজনৰো দৃষ্টি পৰিল তাৰ ওপৰত। আঘোণীৰ চোতালত এদিন ৰাতিপুৱাই উপস্থিত হ'ল ধনীৰাম মহাজন। ৰাতিপুৱাতেই তাইৰ চোতালত দেখি তাই হতভম্ব হ'ল। যেন তাইৰ সন্মুখত সৰগৰ দুৰ্লভ দেৱতাৰহে আৱিৰ্ভাৱ হ'ল। কৰযোৰে মূৰ দোৱাই তাই মাত লগালে—"মহাজন দেউতা ৰাতি-পুৱাতেই এই অভাগিনীৰ চোতালত যে পদধূলি দিবলৈ আহিল?"

: অ' তয়েই বাধ্য কৰালি আহিবলৈ। পিছে তোৰ পণ্ডিত পুতেৰা আছে নে নাই?

: "আছে, আছে দেউতা। পিছে সি কিবা দোষ কৰিলে নেকি?" ভয়ে ভয়ে আঘোণীয়ে সুধিলে আৰু পুতেকক ওচৰলৈ মাতিলে।

: "সি নহয়, তয়ে কৰিছ?"—মুখভৰা তামোলৰ পিকখিনি চোতালৰ মাজতে পেলাই ডিঙিত মেৰিয়াই লোৱা গামোচাখনেৰে মচি ললে মহাজনে মুখখন।

: "মহাজন দেউতাৰ কিবা দোষ লগালো?" —ভীতি-বিহ্বল কণ্ঠেৰে আঘোণীয়ে সুধিলে।

: এতিয়া নজনাই হলি? পুতেৰাব পঢ়াৰ খৰচৰ বাবে অনা টকাখিনি যে ঘূৰাই দিব লাগে পাহৰিলিয়ে হ'বলা? এতিয়া সুতে-মূলে দুহাজাৰ টকা হৈছে। টকাখিনি মোক এতিয়া লাগে।

: "ইমান টকা? মইতো ইমান টকা অনা নাই।" আঘোণীৰ মূৰত যেন সৰগখনহে ভাঙি পৰিল।

: "মনত নাই: এইয়া চা।" —মহাজনে জেপৰ পৰা কাগজ এখন উলিয়াই দেখুৱাই ক'লে— "এইয়াতো তয়েই চহী কৰি টকা ধাৰলৈ লৈছিলি।" তাই কামকৰাৰ বিনিময়ত টকা ললেও মহাজনৰ পৰা ইমান টকা কেতিয়াও লোৱা নাই। এদিন তাই এখন কাগজত চহী কৰি দিছিল। মহাজনে কোৱামতে সেইখন চৰকাৰলৈ লিখা এখন দৰ্খাস্তহে আছিল। দুখীয়া বিধবাসকললৈ দিয়া সাহায্য বিচাৰি লিখা সেইখন এখন দৰ্খাস্তহে আছিল। আঘোণীৰ পৰা উত্তৰ নাপাই মহাজনে ধমকি দি সুধিলে "—কি হ'ল, মনে মনে থাকিলি দেখোন? টকা দিবি নে নিদিবি?"

দুগালেৰে বৈ আহিবলৈ ধৰা তপত চকুলো দুধাৰি মচি —তাই অনুনয়ৰ সুৰত ক'লে— "দেউতা, ইমান টকা মই কোনো দিনে দেখা নাই। আপোনাক দিম ক'ৰ পৰা?"

: টকা যদি দিব নোৱাৰ তেন্তে এটা কাম কৰ। তোৰ পুতেৰক মোৰ ঘৰত থ। মোক এতিয়া কাম কৰা মানুহৰ দৰকাৰ। আৰু তয়ো মোৰ ঘৰতে কাম কৰিবি। ইমান টকা তই একেলগে দিব নোৱাৰিবি বাবেই এই উপায়টো দিছো। ভালকৈ ভাবি চাই অহাকালিৰ ভিতৰতে কিবা এটা উত্তৰ দিবি।" বাওঁহাতেৰে চুৰিয়াৰ আগটো ধৰি আনখন হাতেৰে ছাটিটো জোকাৰি মহাজন দপ্‌দপ্‌াই গুচি গ'ল। আঘোণী আৰু পোনাকণ গুলিবিদ্ধ হৰিণীৰ দৰে সতৃষ্ণ নয়নেৰে চাই থাকিল মহাজন যোৱাৰ ফালে।

জীৱনৰ সকলো জল্পনা-কল্পনা নিজ ভৰিৰে গচকি পিছ দিনা পুতেকক বুজাই-পৰাই লৈ গ'ল

মহাজনৰ ঘৰলৈ। আঘোণী আৰু পোনাকণক দেখি মহাজনে ওঁঠৰ তলেৰে—এক বক্ৰ হাঁহি মাৰি ক'লে—"তই আহিলি আঘোণী ? মই জানো তই আহিবি। আহচোন তই ভিতৰলৈ আহ।" মহাজনৰ নিৰ্দ্দেশত আঘোণী —মহাজনৰ কোঠাৰ ভিতৰলৈ গ'ল। মহাজনৰ ৰাজহাউলী সদৃশ অট্টালিকাবোৰ দেখি পোনাকণে তবধ মানিলে। তাৰ মনত আনন্দ লাগিল। কাৰণ ঘৰৰ ভিতৰৰ পৰাই আকাশৰ তৰা লিখিব পৰা উকুথা পজাৰ পৰিবৰ্তে অট্টালিকাত থাকিব পাৰিব। ৰ'দ, বতাহ, বৰষুণৰ সময়তো শান্তিৰে শুব পাৰিব। অনেক ভাৱত বিভোৰ হোৱা পোনাকণৰ তন্ময় ভাঙিল হঠাতে মাকৰ আৰ্তনাদ শুনি। মহাজনৰ কোঠালৈ দৌৰ মাৰিলে সি। মহাজনে তাৰ মাকৰ ওপৰত কৰা অশালীন ব্যৱহাৰ নিজ চকুৰে দেখি তাৰ সৰ্ব্বশৰীৰ ক্ৰোধত কঁপি উঠিল। দুই চকুত জ্বলি উঠিল একুৰা জুই। বয়সে ষাঠীৰ দেওনা গচকা মহাজনলৈ চাই ললে সি। পকা তামোলৰ দৰে চকুদুটাৰে মানুহজনক এটা দৈত্য যেন লাগিল তাৰ। মহাজন মানুহ নহয়, নৰৰূপী নৰখাদকহে। মাটিত থেকেছা খাই পৰি থকা মাকৰ দেহাটোলৈ চালে সি আৰু এখন্তেকো পলম নকৰি সন্মুখৰ মাটিতে পৰি থকা দাখন হাতত তুলি লৈ দেহৰ সৰ্ব্বস্ব শক্তি প্ৰয়োগ কৰি মহাজনৰ ফালে চোচা ললে। সম্ভাব্য বিপদৰ আশংকা কৰি সাজু হৈ থকা মহাজনেও নিজৰ বুদ্ধি প্ৰয়োগ কৰাত অলপো বিলম্ব নকৰি বেৰত আউজাই থোৱা বন্দুকটো হাতত তুলি তৎমুহূৰ্ত্তে তাৰ ট্ৰিগাৰটোত হাত দিলে। বন্দুকৰ শব্দত আকাশ নিনাদিত হ'ল। ঘৰৰ দুৱাৰ-খিৰিকিবোৰ কঁপি উঠিল। "আঃ মৰিলোঁ।"—তীব্ৰ আৰ্তনাদ কৰি পোনাকণ তেজেৰে লুতুৰি-পুতুৰি হৈ মজিয়াত ঢলি পৰিল। আঘোণীয়ে চকু মেলি চাই দেখে চকুৰ আগত পৃথিৱীখন চক্ৰাকাৰে ঘূৰিবলৈ ধৰিছে। তেজেৰে ৰাঙলি হৈ পৰি থকা পুতেকৰ মৃতদেহটো দেখি তাই চকুৰেদি অন্ধকাৰৰ বাহিৰে একো নেদেখা হ'ল। "পোনাকণ"—বুলি টেটুফলা চিঞৰ মাৰি—তাই পোনাকণৰ দেহটোৰ ওপৰত বাগৰি পৰিল। আঘোণীৰ অলীক কল্পনাবোৰ শূন্যত বিলীন হৈ গ'ল। আঘোণীক ইপাৰত এৰি থৈ পোনাকণ সিপাৰৰ বহুদূৰলৈ গুচি গ'ল। পুতেকৰ দেহৰ কেঁচা-তেজেৰে দুহাত ৰাঙলী কৰি আঘোণী ৰাজপথলৈ ওলাল নতুন ৰূপেৰে—আঘোণী পাগলী হ'ল।

কংকালসাৰ দেহটোৰ ভিতৰত প্ৰাণটো সুমুৱাই লৈ আঘোণী অনাই-বনাই ঘূৰি ফুৰে। "পোনাকণ, আহ বোপাই" বুলি চিঞ্ৰিৰি চিঞৰি তাই মানুহৰ পদূলিয়ে পদূলিয়ে পোনাকণক বিচাৰি ফুৰে। ঘৰ-সংসাৰৰ মায়ামোহ ত্যাগ কৰা আঘোণীয়ে চাৰিআলিৰ চ'কতেই অতিবাহিত কৰে তাইৰ দিনবোৰ। ৰাজপথত পৰি থকা আঘোণীৰ দেহৰ ওপৰেৰে পাৰ হৈ যোৱা গধুৰ ট্ৰাকৰ হেঁচাত তাইৰ প্ৰাণবায়ু উৰি গ'ল। পৃথিৱীৰ সমস্ত দুখবেদনা নেওচি আঘোণী গুচি গ'ল পোনাকণক বিচাৰি দূৰ দিগন্তৰ বহু সিপাৰলৈ। □

# পৰিণাম

ধনঞ্জয় তালুকদাৰ
স্নাতক তৃতীয় বাৰ্ষিক

খট্ খট্ কৈ মাকো মাৰি তাঁত বোৱাত ব্যস্ত বিমলাই পদূলিৰে দৌৰি পাৰ হৈ যোৱা স্কুলীয়া ছাত্র-ছাত্রীজাক দেখি আচৰিত হ'ল। অসময়তে যে স্কুল ছুটি হ'ল ? হঠাতে তাইৰ মনটো কঁপি উঠিল। ক'তো একো অঘটন ঘটা নাইতো ? কি যে হ'ল দেশখনত ! কেতিয়া ক'ত কি ঘটনা ঘটে ঠিক নাই। চাৰিওফালে হুলস্থুল। শান্তিৰ পৰিবেশ কেতিয়াবাই বিনষ্ট হ'ল। পুলিচ-সৈন্য বাহিনীৰ অত্যাচাৰ, সন্ত্রাসবাদীৰ হত্যা-লীলাত সৰ্বসাধাৰণ ৰাইজ জৰ্জ্জৰিত। তাইৰ মনটো বিদ্রোহী হৈ উঠে। জুয়ে পোৰা তিৰাশীৰ এনে এটি দিনতে তাইৰ ককায়েক জয়ন্তই পুলিচৰ গুলী বুকুপাতি লৈ শ্বহীদ হৈছিল। হঠাতে তাইৰ মনত পৰিল, বুৰঞ্জীৰ পাতত পঢ়া ফৰাচী গাভৰু জোৱান ডাৰ্কৰ কাহিনীলৈ। এইজনী ষোড়শী গাভৰুৱে এদিন তাঁতৰ পাতৰ পৰা ৰাজপথলৈ ওলাই আহিছিল। বিমলাৰো মন যায় ৰাজপথলৈ ওলাই আহিবলৈ। অন্যায়, অত্যাচাৰ, অবিচাৰৰ বিৰুদ্ধে বিদ্রোহ কৰিবলৈ। বহাৰ পৰা উঠি তাই চোতালত থিয় দিলেহি মাত্র, এনেতে পিছফালেৰে উধাতু খাই দৌৰি অহা মাধৱক দেখি উচপ খাই উঠিল। মাধৱৰ অৱস্থা দেখি তাইৰ ভাৱ হ'ল—নিশ্চয় কৰবাত কিবা দুৰ্ঘটনা সংঘটিত হৈছে। বিমলাৰ ওচৰ পায়েই উশাহ নোলোৱাকৈ সি ক'বলৈ ধৰিলে: "পলোৱা পলোৱা—বিমলা সৰ্বনাশ হৈছে।" এক অজান আশংকাত তাইৰ সৰ্বশৰীৰ কঁপি উঠিল। মাধৱৰ জুই জ্বলিব ধৰা চকুহাললৈ চাই কঁপা-কঁপা মাতেৰে তাই ক'লে : কিয় ? কি হৈছে ? এনে কি ঘটনা হৈছে যে পলাব লাগে ?

: সৰ্বনাশ হৈছে বিমলা ! বেগতে নপলালে তোমাৰ সৰ্বনাশ হ'ব।

: কি হৈছে ভালকৈ বুজাই নোকোৱা কিয় ? মোৰ খুউব ভয় লাগিছে। ইফালে ঘৰত আই পিতাও নাই।

: এতিয়া আৰু কথা কোৱাৰ সময় নাই। সিহঁত আহিব ধৰিছে। সিহঁত আহি পালে তোমাৰ সৰ্বনাশ হ'ব।

: সিহঁত কোন ?

: সামৰিক বাহিনীৰ লোক।

: উস্, খোলাকৈ কোৱাচোন কি হৈছে ?" দুয়োহাতেৰে মাধৱৰ বাহুত ধৰি জোকাৰি দিলে তাই। এটি দীঘল হুমুনিয়াহ কাঢ়ি মাধৱে কৈ গ'ল এফালৰ পৰা গাঁওবাসীৰ ওপৰত সৈন্য-বাহিনীয়ে কৰা অত্যাচাৰৰ কাহিনী। তাৰ কথাৰ ওপৰত হস্তক্ষেপ কৰি মাজতে তাই সুধিলে :

কিন্তু সেনাবাহিনী আহিবলৈ পালে কিয় ? গাঁৱৰ মানুহে এনে কি দোষ কৰিছে যে তেওঁলোকৰ ওপৰত নিৰ্বিচাৰে অত্যাচাৰ চলাব ।

ঃ তুমিতো জানাই আমাৰ গাঁৱত কেইবা গৰাকীও আন্দোলনকাৰী নেতা আত্মগোপন কৰি আছিল ।

ঃ ওঁ, তাতে কি হ'ল ?

ঃ "সিহঁত কেইজনক দেখুৱাই দিব পাৰিলে নগদ পাঁচহেজাৰ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল সিহঁতে ।"

ক্ষন্তেক ৰৈ সি পুনৰ আৰম্ভ কৰিলে--

ঃ এসপ্তাহ পিছতে আমাৰ বিয়া। গতিকে আমাকতো টকাৰ খুবেই প্ৰয়োজন ।'........ বিমলাই হাতৰ সোণৰ আঙুঠিটো ছুই চালে। ও ঠিকেই আছে। ঘোপাদৃষ্টিৰে তাই চাই পঠিয়ালে মাধৱৰ ফালে। মাধৱক তাই জানে। খুউব ভালকৈয়ে জানে। হাতত চাকৰি এটা নাথাকিলেও তাক বেচ ভাল ল'ৰা বুলিয়েই বিশ্বাস কৰি আহিছে তাই।

ঃ টকাৰ লোভ সামৰিব নোৱাৰিলোঁ বিমলা।' সি পুনৰ আৰম্ভ কৰিলে ! চকুহাল ডাঙৰকৈ মেলি তাই প্ৰশ্ন কৰিলে—

ঃ তাৰ মানে তুমিয়েই সিহঁতক দেখুৱাই দিছিলা ?

ঃ ভুল হৈ গ'ল বিমলা ! পাঁচ হেজাৰ টকাৰ লোভ সামৰিব নোৱাৰি মই সিহঁতক গোপন ঠাইৰ সন্ধেদ দিছিলোঁ। ল'ৰাবোৰ আগতেই পলাই সাৰিল। আন্দোলনৰ নেতা কেইজনক নেপাই গাঁৱৰ মানুহবোৰৰ ওপৰত যে অত্যাচাৰ চলিব এই কথা মই ভাৱিবই পৰা নাছিলোঁ। ভীতি-বিহ্বল কণ্ঠেৰে সি কৈ গ'ল। "বৰ ভুল হৈ গ'ল মোৰ বিমলা। জনা নাছিলোঁ যে সিহঁত প্ৰকৃততে মানুহ নহয় ; নৰমাংসহাৰী একোটা জীৱন্ত পিশাচ। এই মানৱৰূপী পিশাচহঁতৰ অত্যাচাৰৰ পৰা আবাল-বৃদ্ধা-বনিতা কোনোৰে ৰক্ষা নাপালে। কেইবাজনী জীয়ৰী গাভৰুৱে জীৱনৰ শেষ প্ৰমূল্য বিসৰ্জ্জন দিলে নৰপিশাচৰ হাতত। মই ভুলতো ভবা নাছিলোঁ ইমান সৰ্বনাশ হৈ যাব বুলি। শুকাই কাঠ মৰা ডিঙিটো জীপাল কৰাৰ চেষ্টা কৰি সি ক'লে—"পলম কৰাৰ সময় আৰু নাই বিমলা। মুহূৰ্ত এটাও পলম নকৰি পলাব লাগে।"

প্ৰত্নপ্ৰস্তৰ যুগৰ শিলৰ মূৰ্ত্তিৰ দৰে থিয় হৈ ৰ'ল বিমলা। কিবা এক অজান শিহৰণত দেহৰ ৰক্তবোৰ ধমনীৰ মাজেৰে বিদ্যুৎসঞ্চাৰে প্ৰৱাহিত হ'ল। মাধৱৰ মুখৰ পৰা ভৰিলৈ আকৌ এবাৰ চাই ললে বিমলাই।

ঃ পলম নকৰিবা বিমলা। সিহঁত আহি পালে সৰ্বনাশ হ'ব।

ঃ "তোমাৰ মা-দেউতা আৰু ভনী দুজনী ক'ত ?"- ইতিকিঙৰ সুৰেৰে তাই সুধিলে ।

ঃ বিপদৰ আশংকা কৰি কালিয়েই সিহঁতক পেহীহঁতৰ ঘৰত থৈ আহিছোঁ। এতিয়া তোমাক বচাব পাৰিলেই ........।"

কোব খোৱা বাঘিণীৰ দৰে গৰ্জ্জি উঠিল তাই—

ঃ দেশদ্ৰোহী, প্ৰতাৰক, প্ৰৱঞ্চক, যোৱা তুমি তোমাৰ মা-দেউতাক, ভনী দুজনীক বচোৱাগৈ। গাঁৱৰ বাকীবোৰৰ লগতে মোকো মৰিবলৈ দিয়া।

মোৰ ওচৰৰ পৰা এই মুহূৰ্ত্ততে আঁতৰি যোৱা।" বিমলাৰ খং দেখি ভয় লাগিল তাৰ। সঁচাকৈয়ে সি পাপ কৰিছে। নিজৰ ভুলৰ বাবে সি অনুতপ্ত হ'ল।

: খং, অভিমান কৰাৰ সময় এতিয়া নহয় বিমলা। মোৰে দোষ হ'ল। দোষৰ জানো ক্ষমা নাই। এইবোৰৰ হিচাপ-নিকাচ কৰাৰ সময় এতিয়া নাই? আগতে নিজকে বচোৱা নহ'লে-

: নহ'লে কি হ'ব। সিহঁতে মোৰ সৰ্বস্ব ধ্বংস কৰিলে তুমি মোক বিয়া নকৰাবা?" খঙত তাই থৰ্ থৰ্ কৈ কঁপিবলৈ ধৰিলে। "কাপুৰুষ, তোমাৰ দৰে ঠগ-প্ৰৱঞ্চক এজনৰ মুখ চাবলৈ মোৰ ঘিণ লাগে। মাধৱ নামৰ মানুহ জনৰ ভিতৰত যে অন্য এজন অচিনাকি মানুহ লুকাই থাকিব পাৰে এইকথা মই ভাবিবই পৰা নাছিলোঁ। ভগৱানক অশেষ ধন্যবাদ যে তোমাৰ সৈতে বিয়া হোৱাৰ আগতেই তোমাৰ আচল স্বৰূপটো উদঙাই দেখুৱালে।" নিৰবধি তুগালেৰে বৈ অহা তপত চকুলো চাদৰৰ আঁচলেৰে মচি ললে তাই। কিংকৰ্তব্যবিমূঢ় হৈ অপলক নেত্ৰে বিমলাৰ ফালে চাই ৰ'ল সি। বিমলাৰ আপোচ বিহীন ৰণচণ্ডী মূৰ্ত্তি দেখি তাৰ ভয়ো লাগিল। দূৰৈৰ পৰা জন মিচিলৰ সমস্বৰ ভাহি আহিল। সামৰিক বাহিনীৰ অত্যাচাৰৰ প্ৰতিবাদৰ শ্লোগান গাই সমদলটো বিমলাহঁতৰ পদূলিৰ ফালে আগুৱাই আহিল।

: পাঁচ হেজাৰ টকাৰে তুমি সংসাৰ কৰা গৈ। মোৰ ওচৰলৈ আৰু কেতিয়াও নাহিবা। তোমাৰ সৈতে মোৰ বিয়া কেতিয়াও হ'ব নোৱাৰে।" কথাখিনি উত্তেজনাৰে কৈ বিমলাই হাতৰ সোণৰ আঙুঠিটো খুলি মাধৱৰ গালৈ জোৰেৰে দলিয়াই দি সমদলটো যোৱাৰ ফালে দৌৰি গ'ল তাই।

: বিমলা এয়া তুমি কি কৈছা? এয়া তুমি কি কৰিলা বিমলা? আৰ্তনাদ কৰি উঠিল সি। মাধৱৰ কথালৈ অকণো ভ্ৰূক্ষেপ নকৰি বিমলা উন্মাদিনীৰ দৰে মাথো দৌৰি থাকিল। দৃষ্টিৰ আঁতৰ নোহোৱা পৰ্যন্ত সি অসহায়ভাৱে তাইৰ ফালে চাই থাকিল। ☆☆

---

যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা—কান্দি কান্দি আহিছিলা, আৰু ওচৰ চুবুৰীয়াই হাঁহিছিল। তুমি এনে কাম কৰিবা যাতে তুমি হাঁহি-হাঁহি পৃথিৱীৰ পৰা যাব পাৰা আৰু আনে যেন তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।

--পণ্ডিত হেম চন্দ্ৰ গোস্বামী

# আলোচনী সম্পাদকৰ আষাৰ-চেৰেক

পাতনিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ ১৯৯১-৯২ চনৰ বছৰটোৰ বাবে মোক "জৱাহৰ জ্যোতি"ৰ সম্পাদকৰ কাৰণে নিৰ্বাচিত কৰা বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আটাইলৈ পৰম স্নেহসিক্ত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সাহিত্যক জাতিৰ দাপোণ স্বৰূপ বুলি কোৱা হয়। এটা জাতি হিচাপে কোন কিমান চহকী তাৰ বিচাৰ হয় জাতীয় সাহিত্যৰাজিৰ দ্বাৰা। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ সুবিধাৰ্থে মুখপত্ৰ জৱাহৰ-জ্যোতি প্ৰতি বছৰে প্ৰকাশ কৰা হয়।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ'ৰ বাবে ব্যস্ত হ'ব লগীয়া হয়। 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সুসামঞ্জস্য ৰাখি এখন প্ৰাচীৰ পত্ৰিকাৰ পৰিকল্পনা কৰা হয়। ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰা হয়।

আলোচনী বিভাগৰ পৰা সাহিত্য সম্পৰ্কীয় কেইবাটাও প্ৰতিযোগিতা মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা হয়। প্ৰতিযোগীৰ উৎসাহজনক সঁহাৰিয়ে প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

অকল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লিখনীৰ ওপৰত ভিত্তি কৰি যেতিয়া এখন আলোচনী প্ৰকাশ কৰিবলগীয়া হয়, ই হৈ পৰে অতি দুৰূহ কাম। সন্তোষজনক লিখনীৰ অভাৱ, বাৰে বাৰে জাননী দিয়াৰ উপৰিও ব্যক্তিগত হিচাপে তাগিদা দিবলগীয়া হোৱা আৰ্থিক অনাটন, প্ৰেছৰ ব্যস্ততা ইত্যাদি কাৰণত সময় মতে আলোচনীখন প্ৰকাশ কৰাত ব্যাঘাত ঘটে। সেয়েহে যথা সময়ত জৱাহৰ-জ্যোতি মই আপোনালোকৰ হাতত তুলি দিব নোৱাৰা বাবে মই চৰম লজ্জিত। তাৰ বাবে ক্ষমা বিচাৰিছোঁ। আশা কৰিছোঁ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যতে যথা সময়ত তেওঁলোকৰ লিখনী সমূহ বিভাগীয় সম্পাদকক জমা দি আলোচনীখন সোনকালে প্ৰকাশ হোৱাত সুবিধা দিব।

আলোচনীখন সম্পাদনা কৰি প্ৰকাশ কৰাত সৰ্বতোপ্ৰকাৰ সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ, অধ্যাপক শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱ, শ্ৰীযুত মৃগেন শৰ্মা দেৱ, শ্ৰীযুত লক্ষ্মী কান্ত শৰ্মাদেৱ, অধ্যাপক শ্ৰীযুত যুগল কিশোৰ নাথদেৱক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰোঁতে সহায় কৰা বাবে ছাত্ৰ বন্ধু খৰ্গেশ্বৰ ৰাভা, বেদান্ত ডেকা, কাৰ্যালয় সহকাৰী প্ৰদীপ দাস অধ্যাপক প্ৰাণেশ্বৰ নাথদেৱক মৰম আৰু কৃতজ্ঞতা জনাইছোঁ।

আলোচনীখনৰ তত্ত্বাৱধায়কৰ গুৰু দায়িত্ব লৈ সংকটপূৰ্ণ মুহূৰ্তত অকুণ্ঠ সহায় সহযোগ, দিহা-পৰামৰ্শেৰে উপকৃত কৰা বাবে অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়াদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ।

আলোচনী এখনৰ গাম্ভীৰ্য নিৰ্ভৰ কৰে লিখনী সমূহৰ ওপৰত ; সেয়েহে তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ! শেষত সকলো দোষ-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। □

শ্ৰীগণেশ চন্দ্ৰ বড়ো

সম্পাদক, জৱাহৰ জ্যোতি

# খেলবিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯১-৯২ চনৰ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ খেল বিভাগৰ পদত নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী লৈ মোৰ কৃতজ্ঞতা জনালোঁ।

বৰ্তমান যুগত খেলবিভাগৰ গুৰুত্ব সৰ্বাধিক। ছাত্ৰ-ছাত্ৰী সকলে সেয়েহে পাঠ্যক্ৰমৰ মাজতে আৱদ্ধ নাথাকি খেলা-ধূলাত অংশ গ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি নিজক প্ৰতিষ্ঠা কৰি ল'ব পাৰে।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই 'মহাবিদ্যালয় সপ্তাহ' উৎসৱৰ বাবে জড়িত হৈ পৰিব লগীয়া হয়। প্ৰত্যেক বছৰৰ দৰে মহাবিদ্যালয় সপ্তাহত এই-বাৰো বিভিন্ন খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। খেলুৱৈৰ অংশগ্ৰহণ সন্তোষজনক আছিল যদিও ভৱিষ্যতে আৰু অধিক ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা কামনা কৰিলোঁ।

মোৰ কাৰ্যকালছোৱাত ভাৰতীয় সেনা বাহি-নীৰ উদ্দ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ সকলে ভলী-বল খেলত অংশ গ্ৰহণ কৰে। আমাৰ খেলুৱৈ সকলে এই প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক খেলবোৰত জয়লাভ কৰে আৰু ফাইনেল খেলত অংশ গ্ৰহণ কৰাৰ যোগ্যতা লাভ কৰে। মিৰ্জাত অনুষ্ঠিত ফাইনেল খেলত খেলুৱৈ সকলে উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শন কৰি সাফল্য লাভ কৰে।

আন্তঃ মহাবিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত প্ৰত্যেক বছৰে আমাৰ মহাবিদ্যালয়ে আকৰ্ষণীয় খেল খেলে। এইবাৰো চেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে।

সম্ভাৱনাপূৰ্ণ খেলুৱৈৰে পৰিপূৰ্ণ আমাৰ মহা-বিদ্যালয়ৰ খেলুৱৈসকলে সীমিত সা-সুবিধাৰ মাজত থাকি সদায়ে খেলা ধূলা খেলিব লগীয়া হয়। আশা কৰিছোঁ ভৱিষ্যতে খেলৰ সুবিধা সমূহ বৃদ্ধি হ'ব আৰু পৰৱৰ্ত্তী সম্পাদক সকলে এই দিশত মনোযোগ দিব।

মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱলৈ তেখেতে মোক দিয়া দিহা-পৰামৰ্শ আদিৰ বাবে প্ৰথমে কৃতজ্ঞতা জনাইছোঁ। খেল-বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক অৰনী কুমাৰ দাস চাৰলৈ মোৰ স-শ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি অধ্যাপক মদন চন্দ্ৰ কাকতিদেৱ আৰু অধ্যাপক দ্বিজেন দাসদেৱলৈ মোৰ পৰম শ্ৰদ্ধা ভৰা কৃতজ্ঞতা জনালোঁ। সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰী তথা খেলুৱৈ সকললৈ মোৰ অপৰিসীম মৰম আৰু অভিনন্দন জনালোঁ।

শেষত অনিচ্ছা সত্বেও হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। □

শ্ৰীপ্ৰবোধ বড়ো

সম্পাদক, খেলবিভাগ

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সমাজ এখন সৰ্বাঙ্গ সুন্দৰকৈ গঢ়ি তোলাত মানুহে বিভিন্ন ধৰণেৰে অৱদান আগবঢ়াব পাৰে। ময়ো জৱাহৰলাল নেহৰু মহাবিদ্যালয়লৈ সেৱা আগবঢ়াব খুজিছিলোঁ। সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে। মোৰ আশাৰ প্ৰতি সঁহাৰি দি ১৯৯১-৯২ চনৰ মহাবিদ্যালয় একতা সভালৈ সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰা বাবে সমূহ বন্ধু-বান্ধৱী লৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

সমাজ সেৱা বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ৰ বছৰেকীয়া আকৰ্ষণীয় উৎসৱ মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে ২৫।১।৯২ আৰু ২৯।১।৯২ দুদিন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চাফাই কামৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত শৃঙ্খলাবোধ, নিষ্ঠা, ধৈৰ্য্য আৰু সেৱাৰ মনোভাব দেখুৱাবলৈ সমৰ্থ হোৱা ৩৫ জন ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়। তাৰে ১৫ জন ছাত্ৰ-ছাত্ৰীক বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক বুলি পৰিগণিত কৰা হয়।

মোৰ কাৰ্যকালত আমি সমাজ সেৱাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ চৌহদতে সীমিত থাকিব লগীয়া হয়। এইখিনিতে ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা দুই এটা অসুবিধাৰ কথা উল্লেখ কৰিলোঁ; আশা কৰো পৰৱৰ্তী কালৰ বিষয়ববীয়াসকলে এই দিশত মনোযোগ দিব। ছাত্ৰ-ছাত্ৰীসকলৰ পৰিষ্কাৰ পানী খোৱাৰ বাবে টিউবেলৰ অভাৱ, চাইকেল আৰু মটৰ চাইকেল ৰখাৰ বাবে উপযুক্ত ঠাইৰ অভাৱ, শৌচাগাৰৰ অভাৱ আৰু মহাবিদ্যালয়ৰ বাছ ৰখা ঠাইত এটি যাত্ৰীৰ জিৰণি ঘৰৰ অভাৱ ছাত্ৰ-ছাত্ৰীসকলে বৰকৈ অনুভৱ কৰি আহিছে।

সমাজ সেৱা বিভাগৰ গুৰুদায়িত্ব পালন কৰাত মোক সকলো দিশৰ পৰা পৰামৰ্শ আদি দি উপকৃত কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ আৰু সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত উমেশ কৰ; শ্ৰীযুত ভৱেশ চন্দ্ৰ গোস্বামী, শ্ৰীযুত মদন কাকতি শ্ৰীযুত দ্বিজেন্দ্ৰ নাথ দাস আৰু শ্ৰীযুত দিলীপ দাসদেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিভিন্ন দিশত সহায়-সহযোগিতাৰে মোৰ কামত উৎসাহ উদ্দীপনা আগবঢ়োৱা বাবে মোৰ বন্ধু সৰ্ব্বশ্ৰী সিদ্ধেশ্বৰ, অনিল, দীপক, প্ৰদীপ, খৰ্গেশ্বৰ প্ৰশান্ত, লক্ষ্মণ, গণেশ, সন্ধ্যামায়া, জয়শ্ৰী, নিপু লগতে প্ৰণয় আৰু জ্যোতি প্ৰসাদলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজ্ঞানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাৰ্জনা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

**শ্ৰীহীৰেণ ৰাভা**
সম্পাদক, সমাজ সেৱা বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯১-৯২ চনৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ বাবে মোক নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া বাবে মোৰ অফুৰন্ত ভালপোৱা আৰু কৃতজ্ঞতা জনাইছোঁ।

উন্নত কলা-সংস্কৃতিৰ জৰিয়তে বিশ্বৰ দৰবাৰত একোটা জাতিয়ে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। যিটো জাতি নিজৰ স্বকীয় সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়া সেই জাতিয়ে মানৱ সমাজত শ্ৰেষ্ঠ জাতি হিচাপে স্বীকৃত হৈ আহিছে। মানৱ জীৱনৰ লগত কলা-সংস্কৃতিৰ সম্পৰ্ক সেয়ে ওতঃপ্ৰোত ভাৱে জড়িত।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই ১৯৯১-৯২ চনৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সাঙোৰ খাই পৰোঁ। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ পৰা বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত যথেষ্ট সংখ্যক প্ৰতিযোগীৰ যোগদানে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

আন আন বছৰৰ দৰে এইবাৰো আন্তঃ-মহাবিদ্যালয়ৰ সৌজন্যত 'যুৱ মহোৎসৱ' গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয় আৰু আমাৰ মহাবিদ্যালয়ৰ পৰা ষোল্লজনীয়া দল এটিয়ে অংশ গ্ৰহণ কৰে। বিভিন্ন কাৰ্যসূচীত উন্নত মানদণ্ডৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় আৰু বৰ্ণাঢ্য অভিজ্ঞতা অৰ্জন কৰাৰ সুযোগ লাভ কৰে।

আমাৰ মহাবিদ্যালয়ত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিবলৈ এটি প্ৰেক্ষাগৃহৰ অভাৱ। লগতে আৱশ্যকীয় বাদ্যযন্ত্ৰ আৰু বাদ্যযন্ত্ৰ সংৰক্ষণৰ বাবে যাৱতীয় ব্যৱস্থা নাই। পৰৱৰ্তী কালৰ সম্পাদকসকলে এই দিশত মনোযোগ দিব বুলি আশা কৰিলোঁ।

সাংস্কৃতিক বিভাগটোৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে যি সহযোগ, গঠনমূলক দিহা-পৰামৰ্শ দি সহায় কৰিলে তাৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। বিভাগীয় তত্বাৱধায়ক শিক্ষাগুৰু অধ্যাপক প্ৰাণেশ্বৰ নাথদেৱ আৰু অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়াদেৱলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ। এখেতসকলৰ সহায়-সহযোগ, দিহা-পৰামৰ্শ অবিহনে সাংস্কৃতিক অনুষ্ঠানসমূহ সুচাৰু ৰূপে হয়তো পৰিচালনা কৰাত যথেষ্ট বাধাৰ সন্মুখীন হ'ব লাগিলহেঁতেন। ইয়াৰ উপৰি মোক সততে উপকাৰ কৰা ৰতন, প্ৰদীপ, সুৰেশ, বানেশ্বৰ, শংকৰ, বেদান্ত, ডালিমী, পদুমী, মীৰা, হীৰা, নমিতা, ৰঞ্জিতা, প্ৰবোধ, ভগীৰথ দ্বিজেন দাস আদি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এবছৰীয়া এই কাৰ্য কালত মই কিমান সফল হৈছোঁ তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ হাতত। সদৌ শেষত মোৰ অজ্ঞাত ভুল দোষৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰি সামৰিছোঁ। □

শ্ৰীপ্ৰদীপ কলিতা
সম্পাদক, সাংস্কৃতিক বিভাগ

# ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জৱাহৰলাল নেহৰু মহাবিদ্যালয় একতা সভাৰ ১৯৯১-৯২ চনৰ ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰ পদৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মনত উদ্যম আৰু দুৰ্বাৰ উৎসাহ লৈ মই মোৰ কাৰ্যকাল আৰম্ভ কৰিছিলোঁ। আমাৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ দিশতো ওচৰৰ পৰা ভূমিকি মাৰি চোৱাৰ সুযোগ পাইছিলোঁ। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰিছিলোঁ আৰু তাৰ পৰিচালনাত সক্ৰিয় ভূমিকা পালন কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-জিৰণি কোঠাৰ তৰফৰ পৰা ছাত্ৰৰ বাবে কেৰম, বেডমিণ্টন, ডবা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগীৰ যোগদানো আছিল আশানুৰূপ।

ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক হিচাপে প্ৰত্যক্ষ কৰা কেইটামান অসুবিধাৰ কথা উল্লেখ কৰিলোঁ আৰু আশা কৰোঁ পৰৱৰ্তী ছাত্ৰ একতা সভাৰ সদস্য তথা কৰ্তৃপক্ষৰ সহযোগত এই অসুবিধা-সমূহ দূৰ কৰিবলৈ চেষ্টা কৰিব। তেনে অসুবিধা দুই এটা হ'ল— পৰ্যাপ্ত পৰিমাণৰ ডেক্স বেঞ্চৰ অভাৱ, ছাত্ৰ-জিৰণি কোঠাত বিশুদ্ধ পানীৰ যোগানৰ অসুবিধা, নিয়মিতভাৱে বাতৰি-আলোচনী আদিৰ যোগানৰ অভাৱ ইত্যাদি।

ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব পালন কৰাত মোক যিসকল অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে সহায়-সহযোগ আগবঢ়ালে এই সুযোগতে মই আটাইলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰ-জিৰণি কোঠাৰ তত্ত্বাৱধায়কৰ দায়িত্ব গ্ৰহণ কৰি মোক সকলো দিশতে দিহা পৰামৰ্শ দি উপকৃত কৰা বাবে অধ্যাপক শ্ৰীযুত ভৱেশ চন্দ্ৰ গোস্বামী দেৱলৈ মোৰ অকৃত্ৰিম শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ক্ষেত্ৰত অধ্যাপক মঃ মীৰাজখান দেৱৰ কথা মোৰ সদায়ে মনত থাকিব। সকলো সময়তে সহায়ৰ হাত আগ বঢ়োৱা বন্ধু-বান্ধৱী—খৰ্গেশ্বৰ, হীৰেণ, প্ৰবোধ, গণেশ, মতিলাল. কমল, নিৰঞ্জন, দুলাল, দীপক, অৰ্জুন, জনাৰ্দ্দন, ৰমেন, ভূদেৱ, মৃণাল, কমলেশ্বৰ, প্ৰদীপ. হলিৰাম, সুষমা, গীতা, ৰঞ্জু, চন্দনা, মণিকা, নীলম, চনমতীৰ নাম উল্লেখ নকৰিলে মোৰ কৃতজ্ঞতা জ্ঞাপন অসম্পূৰ্ণ হৈ ৰব।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে কৰা ভুল ক্ৰটিৰ বাবে আপোনালোক সকলোৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। □

শ্ৰীঅনিল কুমাৰ ৰাভা
সম্পাদক, ছাত্ৰ-জিৰণি কোঠা

# ছাত্ৰী-জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯১-৯২ চনৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক পৰিসদৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা ৰূপে নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৯১-৯২ চনৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক পৰিষদৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই মহাবিদ্যালয়ৰ আকৰ্ষণীয় অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কেইবা প্ৰকাৰো খেলা-ধূলাৰ উপৰিও কইনা প্ৰতিযোগিতা, পৰম্পৰাগত সাজ-পাৰৰ প্ৰতিযোগিতা, পুষ্পসজ্জা, পিঠা প্ৰতিযোগিতা, চিলাই প্ৰতিযোগিতা আদি আকৰ্ষণীয় কাৰ্যসূচীৰ আয়োজন কৰা হয়। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ছোৱালীৰ সংখ্যা চমকপ্ৰদ ; কিন্তু তেওঁলোকৰ প্ৰতিযোগিতামূলক মনোবৃত্তিৰ অভাৱ এইবাৰ পৰিলক্ষিত হ'ল। কাৰণ প্ৰতিযোগিতাসমূহত ছাত্ৰীৰ সহযোগিতা আছিল লক্ষ্যণীয়ভাৱে দৃষ্টি কটু। আশা কৰিছোঁ ভৱিষ্যতে ছাত্ৰীসকলে পূৰ্ণ উদ্যমেৰে সকলো ধৰণৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ কাৰ্যভাৰ চলাই যাওঁতে সকলো প্ৰকাৰ দিহা-পৰামৰ্শেৰে উপকৃত কৰা বিভাগীয় তত্বাৱধায়িকা শ্ৰীমতী ক্ষীৰোদা মালী বাইদেউলৈ মোৰ সশ্ৰদ্ধ প্ৰেম, কৃতজ্ঞতা জনাইছোঁ। লগতে মোক বিভিন্ন দিশত সহায় কৰা অধ্যাপক সদানন্দ নাথদেৱ আৰু অধ্যাপিকা বিজয়া ডেকা বাইদেউলৈ জনাইছোঁ মোৰ পৰম ভালপোৱা আৰু কৃতজ্ঞতা। বান্ধৱী ভৱানী, অজন্তা, অলকা, মায়া, লিপিকা, ৰঞ্জু আৰু আন আন সহযোগী বন্ধু-বান্ধৱীলৈয়ো মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সীমিত পৰিসৰৰ মাজত থাকি ছাত্ৰী জিৰণি কোঠাৰ কাৰ্যভাৰ চলাওঁতে কিছু অসুবিধাৰ সন্মুখীন হোৱা স্বাভাৱিক। সেয়েহে মোৰ অজ্ঞাতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সহৃদয় ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা প্ৰৰ্থানা বিচাৰিছোঁ।

শ্ৰীমীৰা কুমাৰী
সম্পাদিকা,
ছাত্ৰী-জিৰণি কোঠা

—:□:—

# তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বন্ধু-বান্ধৱীৰ মৰম আৰু বিশ্বাসে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯১-৯২ চনৰ ছাত্ৰ একতা সভাৰ "তৰ্ক আৰু আলোচনা চক্ৰ"ৰ সম্পাদক পদত বিনা প্ৰতিদ্বন্দ্বিতাই গুৰু দায়িত্ব বহন কৰিবলৈ সুযোগ দিলে তেওঁলোকলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।।

আমাৰ দেশখন হ'ল গণতান্ত্ৰিক দেশ। সকলোৱে ইয়াত নিজৰ ধ্যান-ধাৰণা স্পষ্ট ভাৱে দাঙি ধৰিব পাৰে। আজিৰ পৃথিৱীখন হ'ল প্ৰতিযোগীৰ বাবে যোগ্যতা প্ৰতিপন্ন কৰি নিজৰ শ্ৰেষ্ঠতা প্ৰদৰ্শনেৰে সকলোৰে আপোন হোৱাৰ পৃথিৱী। প্ৰতিযোগিতামূলক পৃথিৱীখনত নিজকে জড়িত কৰি শিক্ষাৰ্থীয়ে প্ৰভূত জ্ঞান অৰ্জন কৰিব পাৰে। মহাবিদ্যালয়ত অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহত নিজৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীয়ে বহল পৃথিৱীখনৰ বাবে নিজক প্ৰস্তুত কৰি তুলিব পাৰে। পাঠ্যক্ৰমৰ মাজতে অকল আৱদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীয়ে তৰ্ক, কুইজ, বিভিন্ন খেল আদিত যোগদান কৰি মানসিক উৎকৰ্ষ সাধন কৰিব পাৰে। সেয়েহে সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ বৰ্তমান "তৰ্ক আৰু আলোচনা চক্ৰ" বিভাগৰ দায়িত্ব অধিক বুলি বিবেচনা কৰোঁ।

বিগত বছৰ বোৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ" উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে 'তৰ্ক আৰু আলোচনা চক্ৰ'ৰ বিভাগৰ পৰা তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, আবৃত্তি (ইংৰাজী/অসমীয়া) প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই আটাইবোৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল। মই আশা কৰো আগলৈ আৰু অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাসমূহ পৰিচালনা কৰাত সহায়-সহযোগ আগবঢ়াব।

মোৰ কাৰ্যভাৰ চলাই যাওঁতে বিভিন্ন দিশত দিহা পৰামৰ্শ দি উপকৃত কৰা কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আৰু বিশেষ ভাবে তৰ্ক আৰু আলোচনা চক্ৰৰ তত্বাৱধায়ক অধ্যাপক সদানন্দ নাথদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। লগতে ছাত্ৰ একতা সভাৰ সদস্য সকলক আৰু বন্ধু-বান্ধৱী বেবী, ৰঞ্জিতা, মীৰা, কামনা, মামণি, ফুলাঞ্জলি, ভবানী, মীনা, ৰিংকু, অৰ্চনা, অনিমা, অপ্‌সৰা অজন্তা, গণেশ, প্ৰবোধ, খৰ্গেশ্বৰ, সত্যজিৎ, নকুল, নিখিল, বিজু, বাবুল, জয়ন্ত আৰু জয়ন্তক তেওঁলোকে আগবঢ়োৱা সহায়-সহযোগিতাৰ কাৰণে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌ শেষত সমূহ ছাত্ৰ ছাত্ৰীৰ ওচৰত মোৰ অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা-মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ মুখনি মাৰিলোঁ।

শ্ৰীপ্ৰশান্ত শৰ্মা

সম্পাদক,

তৰ্ক আৰু আলোচনা চক্ৰ।

# সাধাৰণ সম্পাদকৰ বছৰেকীয়া সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ কাৰ্য্যনিৰ্বাহক পৰিষদৰ ছাত্ৰ-প্ৰতিনিধি হিচাপে সাধাৰণ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকললৈ মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰাৰ কেইদিনমান পিছতে ৩১-১-৯২ ইং তাৰিখৰ পৰা ৬-২-৯২ ইং তাৰিখলৈ ৭ (সাত) দিনীয়া কাৰ্য্যসূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপন কৰা হয়। আৰম্ভণিৰ দিনাখন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে পতাকা উত্তোলন কৰি এই উৎসৱৰ শুভাৰম্ভ কৰে। উৎসৱৰ দিন কেইটিত কাৰ্য্যক্ৰমণিকা অনুযায়ী বিভিন্ন-খেলা-ধূলা, গীত-মাত, কুইজ, নাটক, ভেশচন, আকস্মিক বক্তৃতা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। শেষৰ দিনাখন অধ্যক্ষৰ সভাপতিত্বত বটা বঁটা বিতৰণী সভাৰে উৎসৱৰ সামৰণি মৰা হয়। বঁটা-বিতৰণী সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ কুল সচিব ডঃ মহেশ চন্দ্ৰ ভূঞাদেৱে আৰু নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহণ কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰে সহঃ কুল সচিব ড° বনমালী নাথদেৱে। তেখেত সকলে বিভিন্ন দিশৰ বিষয়ে আগবঢ়োৱা সাৰুৱা ভাষণে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰাণিত কৰিছিল। এই সুযোগতে ছাত্ৰ ছাত্ৰী সকলৰ হৈ মই তেখেত সকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অইন বছৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী মিলি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই বীণাপাণিৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ্য নিবেদন কৰা হয়। তদুপৰি মহাপুৰুষ শ্ৰীশংকৰদেৱৰ তিৰোভাৱ তিথিত ভাগৱত পাঠ, নাম-কীৰ্ত্তন আৰু মহাপুৰুষ জনাৰ জীৱনী আৰু কৰ্মৰাজি তথা তেওঁৰ কাব্য প্ৰতিভাৰ বিষয়ে অনুষ্ঠিত আলোচনা চক্ৰ আদি বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয়।

বছৰৰ নৱাগত আদৰণী সভাখন জাক-জমকতাৰে ২৯-৯-৯২ ইং তাৰিখে অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। এই সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ-কল্যাণ বিষয়া ড° প্ৰবীণ চন্দ্ৰ দাসদেৱে মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী সকলৰ উদ্দেশ্যে এটা বহুমূলীয়া ভাষণ দিয়ে। এই সুযোগতে মই ছাত্ৰ কল্যাণ বিষয়া ড° দাসদেৱলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। সভাত উপস্থিত থাকি আমাৰ বিভিন্ন কাৰ্য্যসূচী সমূহ চলাই নিয়াত সহায়-সহযোগিতা আগবঢ়োৱা বাবে স্থানীয় গণ্য-মান্য লোক সকললৈকো আমি ধন্যবাদ জ্ঞাপন কৰিছোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই বছৰৰ "আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেন্ট" গোসাঁই গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে যথেষ্ট পাৰদৰ্শিতা দেখুৱাই "চেমী ফাইনেল" খেলাৰ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হয়। লগতে বিশ্ববিদ্যালয়ত অনুষ্ঠিত "যুৱ-মহোৎসৱ"ৰ বিভিন্ন অনুষ্ঠানতো যথেষ্ট উৎসাহ-উদ্দীপনাৰে বিভিন্ন অনুষ্ঠান পৰিবেশন কৰা হয়। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগিতাত অংশ লোৱা খেলুৱৈ তথা শিল্পীলৈকে মোৰ ব্যক্তিগত অভিনন্দন থাকিল আৰু তেওঁলোকৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰিলোঁ।

মই ব্যক্তিগত ভাৱে বৰ দুঃখিত যে মোৰ কাৰ্য্য-কালৰ সময়তে আমাৰ মহাবিদ্যালয়ৰ এই বছৰৰ শ্ৰেষ্ঠ অভিনেতা শ্ৰীদুলাল পাঠক আত্মঘাতী হৈ জগতৰ পৰা বিদায় লয়। মই তেওঁৰ আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ।

অভাৱ-অভিযোগ—আমাৰ মহাবিদ্যালয়ে 'ৰূপালী জয়ন্তী" বৰ্ষ উদ্‌যাপন কৰি পূৰ্ণ যৌৱন লাভ কৰিছে যদিও, ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধিৰ লগে লগে সমস্যা বৃদ্ধি হৈ আহিছে। এই সমস্যাবোৰৰ ভিতৰত মুখ্য সমস্যাবোৰ উল্লেখ কৰি কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিলোঁ (১) মহাবিদ্যালয়ৰ প্ৰয়োজনানুসাৰে প্ৰস্ৰাৱাগাৰ তথা শৌচাগাৰ নিৰ্মাণ কৰা (২) এটি স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা (৩) কলা শাখাৰ স্নাতক মহলাত সকলো বিষয়তে মেজৰ (প্ৰধান) খোলা। (৪) স্নাতক বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰা (৫) শ্ৰেণী কোঠাৰ বৃদ্ধি কৰা (৬) স্থায়ী ছাত্ৰী-জিৰণি কোঠাৰ ব্যৱস্থা কৰা (৭) ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সকলৰ প্ৰয়োজনানুসাৰে চাইকেল ষ্টেণ্ডৰ ব্যৱস্থা কৰা (৮) মহাবিদ্যালয়ৰ সৌন্দৰ্য্য বৃদ্ধিৰ বাবে এখনি ফুলনি বাগিচাৰ ব্যৱস্থা কৰা। এই সমস্যাবোৰ কৰ্তৃপক্ষই যদিও একেলগে সমাধান কৰিবলৈ অক্ষম তথাপিও ভৱিষ্যতে এটা এটাকৈ অভাৱবোৰ পূৰণ কৰিবলৈ চেষ্টা কৰিব বুলি আশা থাকিল।

সদৌ শেষত মোক সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৰ চলাই যাওঁতে বিভিন্ন দিশত দিহা পৰামৰ্শ দি উপকৃত কৰা কাৰণে মই মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ ওচৰত চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকললৈকো মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জনাইছোঁ। লগতে মোৰ কাৰ্য্যভাৰ চলাই যাওঁতে প্ৰতি পদে পদে সহায় সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয় একতা সভাৰ সহকৰ্মী সকলৰ লৈগতে বন্ধু লক্ষণ, অক্ষয়, শম্ভু, নকুল, বান্ধৱী বিজু, বনলতা, ডালিমী, উৎপলা, কামনা, মামণি, ফুলাঞ্জলি, অজন্তালৈকো মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ। তদুপৰি সকলো সময়তে সহযোগিতা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ কাৰ্য্যালয় সহায়ক সকললৈকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ যাচি আৰু সকলোৰে ওচৰত মোৰ জ্ঞাত অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি, জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**শ্ৰীখৰ্গেশ্বৰ ৰাভা**
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা
১৯৯১-৯২ বৰ্ষ

# ১৯৯১-৯২ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ ঃ

## খেল-ধেমালি (ল'ৰাৰ)ঃ

১০০ মিটাৰ দৌৰ ঃ

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য়—পূৰ্ণ বড়ো (উঃ মাঃ ২য়)
৩য়—ভোগেশ্বৰ বড়ো (স্নাঃ ১ম)

২০০ মিটাৰ দৌৰ ঃ

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য়—পূৰ্ণ বড়ো (উঃ মাঃ ২য়)
৩য়—ভোগেশ্বৰ বড়ো (স্নাতক ১ম)

৪০০ মিটাৰ দৌৰ ঃ

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য়—ভোগেশ্বৰ বড়ো (স্নাতক ১ম)
৩য়—লীলা বড়ো (উঃ মাঃ ২য়)

৮০০ মিটাৰ দৌৰ ঃ

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য়—খৰ্গধৰ কলিতা (উঃ মাঃ ১ম)
৩য়—বিষ্ণু প্ৰসাদ ৰাভা (উঃ মাঃ ১ম)

১৫০০ মিটাৰ দৌৰ ঃ

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য় খৰ্গধৰ কলিতা (উঃ মাঃ ১ম)
৩য়—বিষ্ণু প্ৰসাদ ৰাভা (উঃ মাঃ ১ম)

### চট্‌পুট থ্ৰ' ঃ

১ম—হীৰেণ ৰাভা (উঃ মাঃ ১ম)
২য়—ভবানী প্ৰসাদ বড়ো (উঃ মাঃ ২য়)
৩য়—নিৰণ খাখলাৰী (উঃ মাঃ ১ম)

### ডিচকাচ থ্ৰ' ঃ

১ম—প্ৰবোধ বড়ো (স্নাতক ১ম)
২য় ৰজিত বড়ো (উঃ মাঃ ১ম)
৩য়—হীৰেণ ৰাভা (উঃ মাঃ ১ম)

### জেভেলিন থ্ৰ' ঃ

১ম—ৰজিত বড়ো (উঃ মাঃ ১ম)
২য়—উৰেণ বড়ো (উঃ মাঃ ১ম)
৩য়—প্ৰবোধ বড়ো (স্নাতক ১ম)

### লং জাম্প ঃ

১ম—নিপেন বড়ো (উঃ মাঃ ১ম)
২য় লীলা বড়ো (উঃ মাঃ ২য়)
৩য়—ৰিন্দাও শ্ৰাং বসুমতাৰী (উঃ মাঃ ১ম)

### হাইজাম্প ঃ

১ম—ৰিন্দাও শ্ৰাং বসুমতাৰী (উঃ মাঃ ১ম)
২য়—ৰবীন্দ্ৰ নাথ (উঃ মাঃ ২য়)
৩য়—দুলাল পাঠক (স্নাতক ২য়)

### পোলভল্ট জাম্প ঃ

১ম—ভবানী প্ৰসাদ বড়ো (উঃ মাঃ ২য়)
২য়—ৰিন্দাও শ্ৰাং বসুমতাৰী (উঃ মাঃ ১ম)
৩য়—বংশী ঠাকুৰীয়া (উঃ মাঃ ১ম)

### ট্ৰিপুল জাম্প ঃ

১ম—দ্বিজেন দাস (স্নাতক ২য়)
২য়—আবিদুৰ ৰহমান (উঃ মাঃ ১ম)
৩য়—দুলাল পাঠক (স্নাতক ২য়)

### পাঞ্জা ঃ

১ম—ৰবীন ৰাভা (উঃ মাঃ ১ম)
২য়—ভবানী প্ৰসাদ বড়ো (উঃ মাঃ ২য়)
৩য়—ডিম্বেশ্বৰ বড়ো (উঃ মাঃ ১ম)

**ভলীবল ঃ**

বিজয়ী দল—উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (খ) শাখা (কলা)

বিজিত দল– স্নাতক প্ৰথম বাৰ্ষিক।

**ক্ৰিকেট ঃ**

বিজয়ী দল—উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা)

বিজিত দল– উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (কলা)

Man of the Match— অশ্বিনী ৰাভা (উঃ মাঃ ১ম)

**বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ**

সঞ্জয় ৰাভা (উঃ মাঃ ২য় বাৰ্ষিক)

**খেল-ধেমালি (ছোৱালীৰ) ঃ**

১০০ মিটাৰ দৌৰ ঃ

১ম—সন্ধ্যা কলিতা (উঃ মাঃ ১ম)

২য়—জানকী দেৱী (উঃ মাঃ ১ম)

৩য়– চম্পা দাস (স্নাতক ১ম)

২০০ মিটাৰ দৌৰ ঃ

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)

২য়—চিত্ৰা ৰাভা (স্নাতক ১ম)

৩য় { সন্ধা কলিতা (উঃ মাঃ ১ম)
জানকী দেৱী ( ঐ )

৪০০ মিটাৰ দৌৰ ঃ

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)

২য়—সন্ধ্যা কলিতা (উঃ মাঃ ১ম)

৩য়—চিত্ৰা ৰাভা (স্নাতক ১ম)

৮০০ মিটাৰ দৌৰ ঃ

১ম—চিত্ৰা ৰাভা (স্নাতক ১ম)

২য়—নৰ্মদা ৰাভা (উঃ মাঃ ১ম)

৩য়—মেঘালী দাস (উঃ মাঃ ১ম)

**লং জাম্প ঃ**

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)

২য়—চিত্ৰা ৰাভা (স্নাতক ১ম)

৩য়—ৰোমদা ৰাভা (উঃ মাঃ ১ম)

**চট্‌পুট থ্ৰ’ ঃ**

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)

২য়—জুনু ৰাভা (উঃ মাঃ ১ম)

৩য়—চিত্ৰা ৰাভা (স্নাতক ১ম)

**ডিচ্‌কাচ থ্ৰ’ ঃ**

১ম– জুনু ৰাভা (উঃ মাঃ ১ম)

২য়—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)

৩য়– উষা চাংমা (উঃ মাঃ ১ম)

**জেভেলিন থ্ৰ’ ঃ**

১ম—বিজুমণি বড়ো (স্নাতক ১ম)

২য়—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)

৩য়—জুনু ৰাভা (উঃ মাঃ ১ম)

**হাই জাম্প ঃ**

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)

২য়—জুনু ৰাভা (উঃ মাঃ ১ম)

৩য় { মেঘালী দাস (উঃ মাঃ ১ম)
চিত্ৰা ৰাভা (স্নাতক ১ম)

**ত্ৰিপুল জাম্প ঃ**

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)

২য়—জুনু ৰাভা (উঃ মাঃ ১ম)

৩য়– মেঘালী দাস ( ঐ )

**বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ ঃ**

মিচ্‌ অঞ্জলি দৈমাৰী।

(উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (কলা)।

## ছাত্ৰ জিৰণি কোঠা বিভাগৰ ফলাফল :

**বেডমিণ্টন : ( একক )**

চেম্পিয়ন—প্ৰশান্ত কলিতা ( স্নাতক ২য় )

ৰানাৰ্চ আপ—ৰমেন কলিতা ( উঃ মাঃ ২য় )

**বেডমিণ্টন : ( দ্বৈত )**

চেম্পিয়ন— প্ৰশান্ত কলিতা ( স্নাতক ২য় )

জিতুমণি দাস ( উঃ মাঃ ১ম )

ৰানাৰ্চ আপ—গণেশ বড়ো ( স্নাতক ১ম )

শঙ্কৰ পাঠক ( উঃ মাঃ ২য় )

**কেৰম : ( একক )**

চেম্পিয়ন নিৰঞ্জন মণ্ডল ( স্নাতক ৩য় )

ৰানাৰ্চ আপ—মতিলাল বসুমতাৰী (স্নাঃ ২য়)

**কেৰম : ( দ্বৈত )**

চেম্পিয়ন—প্ৰবোধ বড়ো ( স্নাতক ১ম )

মঃ ৰেজাক আলী ( উঃ মাঃ ২য় )

ৰানাৰ্চ আপ—মতিলাল বসুমতাৰী ( স্নাঃ ১ম)

জগদীশ ৰাভা ( উঃ মাঃ ১ম )

**ডবা :**

চেম্পিয়ন— বিষ্ণু দাস ( স্নাতক ৩য় )

ৰানাৰ্চ আপ—খৰ্গেশ্বৰ ৰাভা ( স্নাতক ১ম )

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফল :

**তৰ্ক প্ৰতিযোগিতা :**

১ম—ধনঞ্জয় তালুকদাৰ ( স্নাতক ৩য় )

২য়—মিচ্‌ অপ্‌সৰা বায়ন ( স্নাতক ১ম )

৩য়— দিগন্ত ৰাভা ( স্নাতক ১ম )

**অসমীয়া কবিতা আবৃত্তি :**

১ম—আবিদুৰ ৰহমান ( উঃ মাঃ ১ম )

২য় মিচ্‌ চম্পা দাস ( স্নাতক ১ম )

৩য়—দুলাল পাঠক ( স্নাতক ২য় )

**ইংৰাজী কবিতা আবৃত্তি :**

১ম—মিচ্‌ চম্পা দাস ( স্নাতক ১ম )

২য়—মিচ্‌ জ্যোতিকণা দেৱী ( উঃ মাঃ ২য় )

৩য়—নীলিম দত্ত ( উঃ মাঃ ২য় )

**আকস্মিক বক্তৃতা :**

১ম—নীলিম দত্ত ( উঃ মাঃ ১য় )

২য়—দুলাল পাঠক ( স্নাতক ২য় )

৩য়—ধনঞ্জয় তালুকদাৰ ( স্নাতক ৩য় )

**কুইজ প্ৰতিযোগিতা :**

১ম দল—ৰাজীব ৰাভা ( উঃ মাঃ ২য় )

হেমন্ত দাস ( ঐ )

মেদিনী ৰাভা ( ঐ )

প্ৰণৱ ৰাভা ( ঐ )

২য় দল—মৃণাল পাটোৱাৰী ( উঃ মাঃ ২য় )

নীলিম দত্ত ( ঐ )

সুৰজিৎ কাকতি ( ঐ )

নৰেণ ঠাকুৰীয়া ( ঐ )

২য় দল—খৰ্গেশ্বৰ ৰাভা ( স্নাতক ১ম )

লক্ষ্মণ ৰাভা ( স্নাতক ২য় )

দুলাল দাস ( স্নাতক ২য় )

খনিন্দ্ৰ ৰাভা ( উঃ মাঃ ২য় )

৩য় দল—মিচ্‌ মুন কলিতা ( উঃ মাঃ ১ম )

মিচ্‌ মণি নাথ ( ঐ )

মিচ্‌ শিখা ৰাভা ( ঐ )

মঃ নুৰুল ইছলাম ( ঐ )

## সাংস্কৃতিক বিভাগৰ ফলাফল :

**বৰগীত :**

১ম—মিচ্‌ পদুমী পাঠক ( স্নাতক ২য় )

২য়—মিচ্‌ মীৰা ভৰালী ( স্নাতক ১ম )

৩য়—ৰঘুনাথ দাস ( উঃ মাঃ ২য় )

**লোকগীত ঃ**

১ম - মিচ্ মীৰা ভৰালী ( স্নাতক ১ম )
২য়—প্ৰদীপ কলিতা ( স্নাতক ১ম )
৩য়—ভূপেন দত্ত ( উঃ মাঃ ২য় )

**ভজন ঃ**

১ম মিচ্ মীৰা ভৰালী ( স্নাতক ১ম )
২য়—মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )
৩য়—মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )

**জ্যোতি সংগীত ঃ**

১ম—মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )
প্ৰদীপ কলিতা ( স্নাতক ১ম )
২য়— মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
৩য়—মিচ্ উৎপলা দাস ( স্নাতক ১ম )

**বনগীত ঃ**

১ম—মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )
২য় মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
৩য় - প্ৰদীপ কলিতা ( স্নাতক ১ম )

**খেয়াল ঃ**

১ম— মিচ পল্লুমী পাঠক ( স্নাতক ২য় )
২য়— মিচ্ উৎপলা ৰাভা ( স্নাতক ১ম )
৩য়—মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )

**বিহুগীত ঃ**

১ম—সুৰেশ দাস ( উঃ মাঃ ২য় )
২য়—মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )
কৰ্মেশ্বৰ বড়ো ( উঃ মাঃ ২য় )
৩য়—আদিত্য দাস ( উঃ মাঃ ২য় )

**বিষ্ণুৰাভা সংগীত ঃ**

১ম—প্ৰদীপ কলিতা ( স্নাতক ১ম )
২য়—মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )
৩য় —মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
মিচ্ মীৰা ভৰালী ( স্নাতক ১ম )

**ভূপেন্দ্ৰ সংগীত ঃ**

১ম— প্ৰদীপ ঠাকুৰীয়া ( উঃ মাঃ ১ম )
২য়—প্ৰদীপ কলিতা ( স্নাতক ১ম )
৩য়—প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )

**বড়ো গীত ঃ**

১ম—মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
২য়—প্ৰদীপ কলিতা (স্নাতক ১ম )
প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
৩য়— মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )
মিচ্ ভানুমতী বড়ো ( উঃ মাঃ ১ম )

**ৰাভা গীত ঃ**

১ম—মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
নিৰণ খাখলাৰী ( উঃ মাঃ ১ম )
২য়—প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
৩য়—মিচ্ উৎপলা দাস ( স্নাতক ১ম )
মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )

**গজল ঃ**

১ম—তিলক দাস ( স্নাতক ১ম )
২য়—মিচ মীৰা ভৰালী ( স্নাতক ১ম )
প্ৰদীপ কলিতা ( স্নাতক ১ম )
৩য়—মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )

**আধুনিক গীত ঃ**

১ম—প্ৰদীপ কলিতা ( স্নাতক ১ম )
২য়—মিচ্ মীৰা ভৰালী ( স্নাতক ২য় )
মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )
৩য়—কৰ্মেশ্বৰ বড়ো ( উঃ মাঃ ২য় )
তিলক দাস ( স্নাতক ১ম )

**বিয়ানাম ঃ**

১ম— মিচ্ পল্লুমী পাঠক ( স্নাতক ২য় )

২য় - মিচ লিপিকা দেৱী ( স্নাতক ২য় )
৩য় -- মিচ মীৰা ভবালী ( স্নাতক ১ম )
প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )

**জিকিৰ ঃ**

১ম - মিচ পদুমী পাঠক ( স্নাতক ২য় )
২য় - মিচ মীৰা ভবালী ( স্নাতক ১ম )
৩য়—প্ৰদীপ কলিতা ( স্নাতক ১ম )

**দলীয় বিয়া নাম ঃ**

১ম প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
২য় - প্ৰদীপ কলিতা ( স্নাতক ১ম )
৩য় —শংকৰ কলিতা ( স্নাতক ২য় )

**কৌতুক ঃ**

১ম--ভূদেৱ অধিকাৰী ( উঃ মাঃ ২য় )
২য়— দেৱজিৎ দাস ( উঃ মাঃ ২য় )
৩য় ভোগীৰথ দাস ( স্নাতক ২য় )

**একক অভিনয় ঃ**

১ম —প্ৰদীপ কলিতা ( স্নাতক ১ম )
২য় - ভূদেৱ অধিকাৰী ( উঃ মাঃ ২য় )
৩য়-- মিচ মেঘালী দাস ( উঃ মাঃ ১ম )

**মূকাভিনয় ঃ**

১ম—ভূদেৱ অধিকাৰী ( উঃ মাঃ ২য় )
২য় -- ভোগীৰাথ দাস ( স্নাতক ২য় )
৩য় —পৰেশ চন্দ্ৰ ৰাভা ( স্নাতক ১ম )

**বাতৰি পঢ়া ঃ**

১ম —মিচ চম্পা দাস ( স্নাতক ১ম )
২য়—নীলিম দত্ত ( উঃ মাঃ ২য় )
৩য়—প্ৰণৱ বৈশ্য ( উঃ মাঃ ১ম )

**আধুনিক নৃত্য ঃ**

১ম-- মিচ ভবানী মহন্ত ( স্নাতক ১ম )
২য়—মিচ ডালিমী গোস্বামী ( স্নাতক ১ম )
৩য় —প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )

**একক বিহু নৃত্য ঃ**

১ম—মিচ প্ৰণীতা দাস ( স্নাতক ২য় )
২য়— প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
৩য়— মিচ ডালিমী গোস্বামী ( স্নাতক ১ম )

**যন্ত্ৰ সংগীত ঃ**

১ম— নয়ন কলিতা ( উঃ মাঃ ২য় )
২য়— চন্দন ঠাকুৰীয়া ( স্নাতক ১ম )
৩য়—কৰ্মেশ্বৰ বড়ো ( উঃ মাঃ ২য় )

**ভেশচন ঃ**

১ম—প্ৰশান্ত শৰ্মা ( স্নাতক ১ম )
২য়—প্ৰবীণ কলিতা ( স্নাতক ২য় )
৩য়—মিচ দেৱলা মহন্ত ( স্নাতক ২য় )
মিচ তুলিকা বড়ো ( উঃ মাঃ ১ম )

**একাংক নাট প্ৰতিযোগিতাৰ ফলাফল ঃ**

শ্ৰেষ্ঠ নাটক—'সংঘাত কৰব'
শ্ৰেষ্ঠ অভিনেতা— দুলাল পাঠক (উঃ মাঃ ২য়)
শ্ৰেষ্ঠ অভিনেত্ৰী - মীৰা কুমাৰী (স্নাতক ১ম)
—মেঘালী দাস (উঃ মাঃ ১ম)

**বছৰৰ সৰ্বশ্ৰেষ্ঠ সংগীত প্ৰতিযোগী ঃ**

মিচ পদুমী পাঠক ( স্নাতক ২য় বাৰ্ষিক )

**ছাত্ৰী জিৰণি কোঠা বিভাগৰ ফলাফল ঃ**

**কেৰম ঃ ( একক )**

চেম্পিয়ন— মিচ তুলুমণি কলিতা (উঃ মাঃ ১ম)
ৰানাৰ্চ আপ মিচ মণি নাথ (উঃ মাঃ ১ম)

**কেৰম ঃ ( দ্বৈত )**

চেম্পিয়ন-- মিচ সন্মতি স্বৰ্গীয়াৰী (উঃ মাঃ ১ম)
মিচ নীলম কলিতা (উঃ মাঃ ১ম)
ৰাণাৰ্চ আপ - মিচ ভবানী মহন্ত (স্নাতক ১ম)
মিচ চম্পা দাস (স্নাতক ১ম)

**বেডমিণ্টন ঃ ( একক )**

চেম্পিয়ন -- মিচ দীপাঞ্জলি কলিতা ( স্নাঃ ২য় )
ৰানাৰ্চ আপ - মিচ মণি নাথ ( উঃ মাঃ ১ম )